# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI

**Date :** 12-11-2024 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। অসমৰ পাঁচটা সমষ্টিৰ লগতে ১১ খন ৰাজ্যৰ ৩৩ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

২। ৮২ জনীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যুদ্ধৰ পৰিৱৰ্তিত প্ৰেক্ষাপট আৰু সুৰক্ষা ভাবুকি ফলপ্ৰসুভাৱে প্ৰতিহত কৰাৰ বাবে প্ৰতিৰক্ষা কৌশল অৱলম্বন কৰাটো গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰিছে।

৪। সমগ্ৰ দেশত আজি ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে।

আৰু

৫। ভাৰত আজি মহিলাৰ এছিয় ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ এখন খেলত তিনিবাৰৰ চেম্পিয়ন দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

0000000

কেৰালাৰ ৱায়নাড সংসদীয় সমষ্টিৰ লগতে ১১ খন ৰাজ্যৰ ৩৩ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। উপ-নিৰ্বাচন হ'বলগীয়া বিধানসভা সমষ্টিকেইটাৰ ভিতৰত অসমৰ ৫টা, ৰাজস্থানৰ ৭, পশ্চিমবংগৰ ৬, বিহাৰৰ ৪, কৰ্ণাটকৰ ৩ টা, মধ্য প্ৰদেশ আৰু ছিকিমৰ দুটাকৈ তথা কেৰালা, ছত্তিশগড়, গুজৰাট আৰু মেঘালয়ৰ এটাকৈ সমষ্টি আছে। অসমৰ চিদলী, বঙাইগাঁও, চামগুৰি, বিহালী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে চিদলীত ২৭৩টা, বঙাইগাঁৱত ২৪৬টা, চামগুৰিত ১৯৭টা, বিহালীত ১৫৪টা আৰু ধলাইত ২০৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত প্ৰায় ৪ হাজাৰ ৫০০ গৰাকী বিষয়া-কৰ্মচাৰী আজি বিয়লিৰ ভিতৰত নিজ নিজ কৰ্মস্থলীত উপস্থিত হ'ব। ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে চামগুৰি সহ আটাইকেইটা সমষ্টিতে পৰ্যাপ্ত সুৰক্ষাৰ ব্যৱস্থা কৰা হৈছে। চামগুৰি সমষ্টিত প্ৰচাৰ অভিযানৰ সময়ত ভালেমান হিংসাত্মক ঘটনা সংঘটিত হোৱাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ প্ৰায় প্ৰতিটো কেন্দ্ৰতেই সশস্ত্ৰ নিৰাপত্তাৰক্ষী নিয়োগ কৰা হৈছে। সমষ্টিকেইটাৰ উপ-নিৰ্বাচনৰ বাবে মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ধলাই আসনৰ বাবে ৮ গৰাকী, চামগুৰিৰ বাবে ১১ গৰাকী, চিদলীৰ বাবে ৩ গৰাকী, বিহালী আসনখনৰ বাবে ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিত ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। নিৰ্বাচনৰ আয়োগৰ তথ্য অনুসৰি এইবাৰো উপ-নিৰ্বাচনত ৯ লাখ ১২ হাজাৰৰো অধিকসংখ্যক ভোটদাতাই এই প্ৰাৰ্থীসকলৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এইসকলৰ মাজত পুৰুষ ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৫ হাজাৰ ১২৪ আৰু মহিলা ভোটদাতাৰ সংখ্যা ৪ লাখ ৫৬ হাজাৰ ৮৮২ হোৱাৰ বিপৰীতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। আমাৰ সংবাদদাতাই জনাইছে যে উপ-নিৰ্বাচন হ'বলগীয়া আটাইকেইটা সমষ্টিতে শাসকীয় বিজেপি, অসম গণ পৰিষদ, ইউ পি পি এল মিত্ৰজোঁট আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা আছে। ইপিনে, উত্তৰ

প্ৰদেশ, পঞ্জাৱ, কেৰালা আৰু উত্তৰাখণ্ডৰ ১৫ টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিকেইটাৰ সমান্তৰালভাৱে মহাৰাষ্ট্ৰ নান্দেড় সংসদীয় সমষ্টিৰ বাবেও সিদিনাখন ভোটগ্ৰহণ কৰা হ'ব। ২৩ নৱেম্বৰত এই উপ-নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

oooooo

৮২ জনীয়া ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। এই পৰ্যায়ত ৰাজ্যখনৰ ৪৩ টা সমষ্টিক সামৰি লোৱা হ'ব। নিৰ্বাচনী দলসমূহ সংশ্লিষ্ট কেন্দ্ৰলৈ প্ৰেৰণৰ প্ৰক্ৰিয়া চলি আছে। স্পৰ্শকাতৰ কেন্দ্ৰ হিচাপে চিনাক্ত কৰা ২২৫ টা কেন্দ্ৰৰ ভিতৰত ১৯৪ টা কেন্দ্ৰত নিৰ্বাচনী দল কালি বায়ুসেনাৰ হেলিকপ্তাৰেৰে উপস্থিত হয়। বাকী ৩০ টা কেন্দ্ৰৰ নিৰ্বাচনী বিষয়াৰ দল আজি প্ৰেৰণ কৰা হৈছে। এই স্পৰ্শকাতৰ কেন্দ্ৰসমূহ পশ্চিম সিংভূম, লাটেহা, গঢ়ৱা, লোহাৰগড়া আৰু গুমলা জিলাত অৱস্থিত। ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে ১৫ হাজাৰ ৩৪৪ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ভোটগ্ৰহণ সুকলমে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে সুৰক্ষা বাহিনীৰ ২০০ টাৰো অধিক কোম্পানী নিয়োজিত কৰা হৈছে। প্ৰথম পৰ্যায়ত ৭৩ গৰাকী মহিলাসহ মুঠ ৬৮৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

ooooooooo

মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কংগ্ৰেছ নেতা ৰাহুল গান্ধী আৰু বিভিন্ন দলৰ জ্যেষ্ঠ নেতাসকলে আজি ৰাজ্যখনৰ ভিন ভিন জিলাত নিৰ্বাচনী সভা সম্বোধন কৰাৰ কথা আছে। শ্ৰী মোদীয়ে আজি চন্দ্ৰপুৰৰ চিমুৰ, ছোলাপুৰ আৰু পুনেত দলৰ হৈ প্ৰচাৰ চলাব। একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুম্বাইত দুখন নিৰ্বাচনী সভাত ভাগ ল'ব। ইপিনে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি বুলধানা জিলাৰ চিখালি আৰু গন্দিয়াত মহা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। ইফালে, এন চি পিৰ শাৰদ পাৱাৰ গোটৰ মুৰব্বী শাৰদ পাৱাৰে নাচিক আৰু আহমেদ নগৰত মহা মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ ল'ব।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে যুদ্ধৰ পৰিৱৰ্তিত প্ৰেক্ষাপট আৰু সুৰক্ষা ভাবুকি ফলপ্ৰসুভাৱে প্ৰতিহত কৰাৰ বাবে প্ৰতিৰক্ষা কৌশল অৱলম্বন কৰাটো গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত দিল্লী প্ৰতিৰক্ষা আলোচনাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে মন্তব্য কৰে। তেওঁ কয় যে নতুন পৰিস্থিতিৰ সৈতে খাপ খাব পৰা প্ৰতিৰক্ষা কৌশলগত বিকল্প নহয়, বৰং আৱশ্যকতাহে। তেওঁ কয় যে ৰাষ্ট্ৰীয় সুৰক্ষাৰ বিৰুদ্ধে তথ্য যুদ্ধৰ বিভীষিকা দূৰ কৰাৰ বাবে নতুন পৰিস্থিতিৰ সৈতে খাপ খাব পৰা প্ৰতিৰক্ষা কৌশল অৱলম্বন কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। দেশ সন্ত্ৰাসবাদ, চাইবাৰ আক্ৰমণ আৰু হাইব্ৰীড যুদ্ধৰ দৰে ভিন ভিন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বুলি শ্ৰী সিঙে প্ৰকাশ কৰে। তেওঁ কয়, যে উদীয়মান প্ৰযুক্তিৰ বাবে যুদ্ধৰ পৰম্পৰাগত ধাৰণাৰ সলনি হৈছে। শ্ৰী সিঙে কয় যে দেশে চাইবাৰ ক্ষেত্ৰ আৰু কৃত্ৰিম বুদ্ধিমত্তা বিষয়ক নতুন প্ৰযুক্তি সন্দৰ্ভত অহৰহ কাম কৰি আছে আৰু প্ৰতিৰক্ষা খণ্ডত অত্যাধুনিক কৃত্ৰিম বুদ্ধিমত্তাৰ সামৰ্থ্য গঢ়ি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

শক্তিশালী আৰু আত্মনিৰ্ভৰশীল প্ৰতিৰক্ষা ব্যৱস্থা গঢ়ি তোলাৰ উদ্দেশ্যে লোৱা বিভিন্ন ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে বিদেশী যোগানকাৰীৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ উদ্দেশ্যে থলুৱা সামৰ্থ্য বিকশাই তোলাত গুৰুত্ব আৰোপ কৰিছে। তেজছ লঘু যুদ্ধ বিমান, আই এন এছ বিক্ৰান্ত আৰু প্ৰতিৰক্ষা গৱেষণা তথা বিকাশ সংস্থা ডি আৰ ডি অ'ৰ ক্ষেপনাস্ত্ৰ কাৰ্যসূচীৰ দৰে থলুৱা প্ৰতিৰক্ষা প্ৰকল্পসমূহত সাফল্যৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এইসমূহক মেক্ ইন ইণ্ডিয়া উদ্যমৰ উল্লেখখনীয় সাফল্য বুলি অভিহিত কৰে। শ্ৰী সিঙে লগতে প্ৰতিৰক্ষা ৰপ্তানিকাৰী হিচাপে ভাৰতৰ বৰ্ধিত ভূমিকাৰ বিষয়ে আলোকপাত কৰে আৰু দেশে বৰ্তমান শতাধিক দেশলৈ প্ৰতিৰক্ষা আহিলাপাতি ৰপ্তানি কৰিবলৈ লৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে দেশে ২০২৯-৩০ বৰ্ষলৈ ৫০ হাজাৰ কোটি টকাৰ প্ৰতিৰক্ষা ৰপ্তানি লক্ষ্যত উপনীত হ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে আজি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বোৰ্ডে আয়োজন কৰা পানীৰ উৎসৰ ব্যৱস্থাপনা সম্পৰ্কীয় দুদিনীয়া কৰ্মশালা মুকলি কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত বান নিয়ন্ত্ৰণ আৰু নদী ব্যৱস্থাপনা সম্পৰ্কত নীতি আৰু কৌশলসমূহ উন্নত কৰি তোলা বিষয়ক লৈ আলোচনা কৰে। এই বৈঠকত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ লগতে বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০

সমগ্ৰ দেশত আজি ৰাজহুৱা সেৱা সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে। মহাত্মা গান্ধীয়ে ১৯৪৭ চনত প্ৰথম আৰু শেষবাৰৰ বাবে আকাশবাণীৰ ষ্টুডিঅ' পৰিদৰ্শন কৰাৰ লগত সংগতি ৰাখি প্ৰতিবছৰে এই দিৱস পালন কৰা হয়। সিদিনাখন জাতিৰ পিতা মহাত্মা গান্ধীয়ে আকাশবাণীৰ জৰিয়তে দেশ বিভাজনৰ পাছত হাৰিয়ানাৰ কুৰুক্ষেত্ৰত অস্থায়ীভাৱে বসতি স্থাপন কৰা শৰণাৰ্থীসকলক সম্বোধন কৰিছিল। এই উপলক্ষে আজি আকাশবাণী দিল্লী কেন্দ্ৰৰ চৌহদত এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইপিনে, আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে দিৱসৰ সৈতে সংগতি ৰাখি আজি আকাশবাণীৰ অংশকালীন সংবাদদাতা আৰু সংবাদকৰ্মীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে এখন বৈঠকত মিলিত হ'ব।

০০০০০০০০০

ভাৰত আজি বিহাৰৰ ৰাজগীৰ হকী ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ এছিয় ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ এখন খেলত তিনিবাৰৰ চেম্পিয়ন দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ এখন খেলত চীনে থাইলেণ্ডক ১৫-০ গলত পৰাস্ত কৰে। ভাৰতে কালি নিজৰ প্ৰথমখন খেলত মালয়েছিয়াক ৪-০ গলত পৰাস্ত কৰে। জাপান আৰু  দক্ষিণ কোৰিয়াৰ মাজৰ প্ৰথমখন খেল ২-২ গলত ড্ৰ হয়।

০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধু আৰু লক্ষ্য সেনে আজি আৰম্ভ হ'বলগীয়া জাপান মাষ্টাৰ্ছ চুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিন্টন প্ৰতিযোগতাত ভাগ ল'ব। সিন্ধু কাইলৈ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত থাইলেণ্ডৰ প্ৰতিদ্বন্দ্বী বুছানন অংবামৰুংফানৰ সন্মুখীন হ'ব। ইপিনে, পুৰুষৰ ছিংগলছত লক্ষ্য সেন মালয়েছিয়াৰ লিয়ন জুন হাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ০০০০০০০

সমাপ্ত